# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-04-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
**- - - - - - - -**

১। লোকসভা নিৰ্বাচনত তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰগতিত অব্যাহত। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কোকৰাঝাৰত আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা সমন্বিতে বিৰোধী নেতাসকলৰ ধুবুৰীত নিৰ্বাচনী প্ৰচাৰ।

২। কাইলৈ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ গুৱাহাটীত নিৰ্বাচনী প্ৰচাৰ। কেন্দ্ৰীয় গৃহমন্ত্ৰী আহিবলগীয়া পথসমূহ ড্ৰোন উৰণ আৰু আতচবাজী নিষিদ্ধ এলেকা হিচাপে ঘোষণা।

৩। উজনি অসমৰ বিভিন্ন ঠাইত যোৱা নিশা আৰু আজি পুৱাৰ ভাগত অহা প্ৰচণ্ড ধুমুহা আৰু শিল বৰষুণত বিস্তৰ ক্ষতি।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত প্ৰথমখন খেলত গুজৰাট টাইটানছৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ ৯ উইকেটত জয়। দ্বিতীয়খন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি।

০০০০০

লোকসভা নিৰ্বাচনত তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰগতিত অব্যাহত আছে। এই উপলক্ষে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কাইলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ আহিব। নেতাগৰাকীয়ে গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলাব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ নিৰ্বাচনী ভ্ৰমণসূচীৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলা প্ৰশাসনে কেতবোৰ নিৰ্দিষ্ট পথক লৈ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি এই পথসমূহ ড্ৰোন উৰণ আৰু আতচবাজী নিষিদ্ধ এলেকা হিচাপে ঘোষণা কৰা হৈছে। জিলা আয়ুক্ত সুমিত চত্তাৱানে এই নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা জালুকবাৰী, মালিগাওঁ, চাইকেল ফেক্টৰী তিনিআলি হৈ লালগণেশ পৰ্যন্ত পথছোৱাত এই নিৰ্দেশনা বাহাল থাকিব।

আনহাতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। নিৰ্বাচনী জনসভাত সম্বোধন কৰি ড০ শৰ্মাই কয় যে, বিজেপি আৰু ইউ পি পি এলৰ সন্মিলিত প্ৰচেষ্টাত বিটিআৰত শান্তিৰ পৰিবেশ বিৰাজ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোত উন্নয়ন সম্ভৱপৰ হৈছে বুলিও ড০ শৰ্মাই দাবী কৰে। বাওখুংগ্ৰী আৰু পৰ্বতঝোৰাত

নির্বাচনী প্রচাৰ সভাত ভাষণ দি মুখ্যমন্ত্রীগৰাকীয়ে কেন্দ্র তথা ৰাজ্যত বিজেপি নেতৃত্বাধীন দ্বৈত ইঞ্জিন চৰকাৰৰ মহিলা সৱলীকৰণৰ ফলপ্ৰসূ আঁচনিসমূহৰ দ্বাৰা অসমৰ নাৰী শক্তি উদ্বুদ্ধ হৈছে বুলি দাবী কৰে। ড০ শৰ্মাই সমবেতসকলক প্ৰধানমন্ত্রী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি মিত্ৰজোঁটক ভোট দিবলৈ আহ্বান জনায়।

ইফালে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি বশিষ্ঠ, বতাহঘূলি, পাঞ্জাবাৰী, সোণাপুৰ, দক্ষিণগাঁও আৰু কাহিলিপাৰাকে ধৰি মহানগৰীৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়। দিছপুৰ বিধানসভা সমষ্টিৰ বিধায়ক অতুল বৰাৰ উপস্থিতিত শ্ৰীমেধিয়ে বশিষ্ঠৰ পাটৰকুচিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি নিৰ্বাচনত জয়লাভ কৰিলে বিজেপি চৰকাৰৰ তত্বাৱধানত উন্নয়নমূলক আঁচনিসমূহৰ কাম সুচাৰুৰূপে চলাই নিব বুলি প্ৰতিশ্ৰুতি দিয়ে। বিয়লিৰ ভাগত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ মন্ত্রী ডাঃ ৰণোজ পেগু, যোগেন মহন, অজন্তা নেওগ আৰু বিমল বৰাই মহানগৰীৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়। ইফালে গুৱাহাটী লোকসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়েও আজি গুৱাহাটীৰ সমীপৱৰ্তী ৰাণীত নিৰ্বাচনী প্ৰচাৰ চলায়। এই প্ৰচাৰ অভিযানত শাসকপক্ষক সমালোচনা কৰি কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে জনসাধাৰণক বিবেক ভোট দিবলৈ আহ্বান জনায়। অসম গণ পৰিষদৰ সভাপতি অতুল বৰা আৰু বিজেপি নেতা তথা মন্ত্রী জয়ন্ত মল্লবৰুৱাই আজি বৰপেটা লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সৈতে নলবাৰীত বাইক ৰেলীৰ লগতে বিভিন্ন স্থানত নিৰ্বাচনী সভা অনুষ্ঠিত কৰে। আনহাতে সমষ্টিটোৰ এছ ইউ চি আইৰ প্ৰাৰ্থী ডাঃ চিত্ৰলেখা দাসে নিৰ্বাচনী প্ৰচাৰ অভিযানত সৰু পথ সভাৰে ভোটাৰৰ মনোযোগ আকৰ্ষণৰ চেষ্টা কৰে। সমাজ পৰিৱৰ্তন আৰু শ্ৰমজীৱী মানুহৰ অভাৱ-অভিযোগ তথা সমস্যাৰ হকে মাত মতাৰ প্ৰতিশ্ৰুতিৰে নিৰ্বাচনী যুঁজত নমা প্ৰাৰ্থীগৰাকীয়ে শাসকপক্ষক সমালোচনা কৰে।

ধুবুৰী লোকসভা সমষ্টিৰ এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী তথা সাংসদ মৌলানা বদৰুদ্দিন আজমলে আজি সমষ্টিটোৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ ভেল্টাৰঘাটত এখন নিৰ্বাচনী সভা অনুষ্ঠিত কৰে। সভাত প্ৰাৰ্থীগৰাকীয়ে প্ৰতিদ্বন্দ্বীসকলক সমালোচনা কৰি তেওঁ বিগত তিনিটা কাৰ্যকালত কৰি অহা উন্নয়নমূলক কামৰ খতিয়ান দাঙি ধৰে। ইফালে সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনে ধুবুৰী জিলাৰ চুনাৰিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়েও অংশগ্ৰহণ কৰে। তেওঁলোকে সমষ্টিটোৰ সৰ্বাংগীন উন্নয়ন আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাতৃত্ববোধ অটুট ৰখাৰ স্বাৰ্থত বিৰোধী প্ৰাৰ্থীগৰাকীৰ সপক্ষে ভোটদান কৰিবলৈ আহ্বান জনায়। ধুবুৰী সমষ্টিত নিৰ্বাচনী প্ৰস্তুতি আৰু প্ৰচাৰ সন্দৰ্ভত আমাৰ সংবাদদাতা প্ৰদীপ সাহাই এইদৰে কয় -

**ভইচ**

ইফালে কোকৰাঝাৰ লোকসভা সমষ্টিৰ বিপিএফ দলৰ খাম্ফা বৰগয়াৰীয়ে আজি বাক্সা জিলাৰ সাউদৰভিঠাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাত তেওঁ ইউ পি পি এল দলক সমালোচনা কৰি সমষ্টিটোৰ ৭০ শতাংশ ভোটদাতাই বিপিএফ দলক ভোট দিব বুলি উল্লেখ কৰে।

০০০০০

মণিপুৰৰ আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ বাবে ৬ টা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভাৰতীয় নিৰ্বাচন আয়োগে আজি এই সন্দৰ্ভত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। পৰহিলৈ অৰ্থাৎ অহা ৩০

এপ্রিলত পুৱা ৭ বজাৰ পৰা বিয়লি ৪ বজালৈ ভোটগ্ৰহণ কেন্দ্ৰকেইটাত  পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে যোৱা ২৬ এপ্ৰিলত  এই ৬টা ভোটগ্ৰহণ কেন্দ্ৰত সংঘটিত ব্যাপক খেলিমেলিৰ বাবে নিৰ্বাচন আয়োগে ভোটগ্ৰহণ প্ৰক্ৰিয়া বাতিল কৰিছিল। ৰাজ্যখনৰ উখৰুল জিলাৰ ৫ টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু সেনাপতি জিলাৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০

উজনি অসমৰ বিভিন্ন ঠাইত যোৱা নিশা আৰু আজি পুৱাৰ ভাগত অহা প্ৰচণ্ড ধুমুহাই বিস্তৰ ক্ষয়-ক্ষতি কৰে। শিৱসাগৰৰ মগৰাঘাটত আজি পুৱাতে অহা ধুমুহাৰ ফলত ডেৰ শতাধিক পৰিয়ালৰ বাসগৃহৰ ক্ষয়-ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। জিলাখনৰ মগৰাঘাট, গায়নগাঁও, দোলাকাষৰীয়া, চাংমাইকে ধৰি ১০ খন গাঁৱত ধুমুহাৰ ফলত ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। ধুমুহাত গছ উভালি পৰি বিদ্যুৎ পৰিবাহী তাঁৰ ছিগি যোৱাৰ ফলত ঠায়ে ঠায়ে বিদ্যুৎ যোগান ব্যাহত হোৱাৰ উপৰি কোনো কোনো ঠাইত পথ যোগাযোগো সাময়িকভাৱে ব্যাহত হয়। ইপিনে, নগাঁও জিলাৰ কলিয়াবৰত শিল বৰষুণ আৰু ধুমুহাই জনসাধাৰণৰ ক্ষতি কৰা বুলি জানিব পৰা গৈছে। কলিয়াবৰৰ বামুণী আৰু শাকমুঠীয়া চাহ বাগিচা অঞ্চলত ভালেমান পৰিয়ালৰ ঘৰৰ চাল শিল বৰষুণত ফুটি যোৱাৰ লগত বাসগৃহৰ অন্যান্য অংশৰ ক্ষতি হৈছে। চৰাইদেউ জিলাৰ বিভিন্ন ঠাইত যোৱানিশা প্ৰচণ্ড ধুমুহা বৰষুণৰ ফলত গছ উভালি পৰাৰ লগতে বিদ্যুতৰ খুটা ভাগি পৰে। জিলাখনৰ সোণাৰি আৰু সাপেখাটি ৰাজহ চক্ৰৰ অধীনৰ প্ৰায় ১০ হাজাৰ লোকৰ বাসগৃহৰ ধুমুহাৰ ফলত ক্ষতি হয় বুলি বাতৰি পোৱা গৈছে। ইপিনে, সাপেখাটী, শালকাঠনি চাহ বাগিচাত সাবিত্ৰী শৰ্মা নামৰ এগৰাকী মহিলাৰ ধুমুহাত আঘাতপ্ৰাপ্ত হোৱাৰ ফলত মৃত্যু হয়। গোলাঘাট জিলাত আজি ধুমুহাৰ ফলত গোলাঘাট, ফৰকাটিং, মৰঙী আদি অঞ্চলত ক্ষতি হয়। ধুমুহাই বাসগৃহৰ অনিষ্ট কৰাৰ লগতে গছ-গছনি উভালি পেলোৱা বুলি জানিব পৰা গৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত দুখন খেলৰ প্ৰথমখনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট টাইটানছৰ বিৰুদ্ধে ৯ উইকেটত জয়লাভ কৰে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰি গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত ৩টা উইকেট হেৰুৱাই ২০০ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৬ অ'ভাৰতে এটা উইকেট হেৰুৱাই ২০৬ ৰান সংগ্ৰহ কৰে।

আনহাতে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি হ'ব।

০০০০০

ৰাজ্যখনত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন শান্তিপূৰ্ণভাৱে সম্পন্ন, তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ব্যাপক প্ৰস্তুতি, বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ, দেশৰ ৰাষ্ট্ৰপতিৰ পদ্মবঁটাসমূহ প্ৰদানকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

ৰাজ্যৰ ৫ টা সমষ্টিত শুকুৰবাৰে লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন হয়। ৰাজ্যখনত ৮১ দশমিক ১-৭ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। ইপিনে, ভোটগ্ৰহণ হোৱাৰ পাছত  ই ভি এম সমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ৩৮ টা ষ্ট্ৰং ৰুমত ৰখা

হৈছে। ষ্ট্ৰং ৰুমসমূহত ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে। উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছিল। দৰং-ওদালগুৰি সমষ্টিত ৭৮ দশমিক ৪-১, ডিফুত প্ৰায় ৭৩ শতাংশ, কৰিমগঞ্জত ৭৫ দশমিক ৬-৩, নগাঁৱত ৮০ দশমিক ৫-৬ আৰু শিলচৰত প্ৰায় ৭৬ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে।

০০০০০০

তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে শাসনাধিষ্ঠিত বিজেপি, কংগ্ৰেছকে ধৰি ৰাজনৈতিক দলসমূহে প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপৰি অন্যান্য নেতাসকলে প্ৰচাৰ অব্যাহত ৰাখিছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি বৰপেটা জিলাৰ কয়াকুচিত বৰপেটা আৰু কোকৰাঝাৰ সংসদীয় সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ক্ৰমে দীপ বায়ন আৰু গৰ্জন মুছাহাৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি কংগ্ৰেছ নেতাগৰাকীয়ে দেশৰ গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ বাবে দলটোৱে অহৰহ যুঁজ দিয়াৰ উপৰি ৫টা ন্যায় প্ৰদানৰ প্ৰতিশ্ৰুতি আৰু ২৫টা গেৰাণ্টি জনসাধাৰণক দিছে বুলি প্ৰকাশ কৰে।

০০০০০

অসমত লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা হোৱাৰ পাছৰে পৰা নিৰ্বাচনী আচৰণবিধি উলংঘাৰ মুঠ ১৪১ টা ঘটনা পোহৰলৈ আহিছে। ৰাজ্যত মুখ্য নিৰ্বাচন বিষয়াৰ কাৰ্যালয়ে অলপতে প্ৰকাশ কৰা তথ্য অনুসৰি নিৰ্বাচনী আচৰণবিধি উলংঘনৰ ১৪১টা অভিযোগ লাভ কৰা হৈছে। ইয়াৰে ১৩৬টা অভিযোগ ইতিমধ্যে নিষ্পত্তি কৰা হৈছে আৰু ৫টা অভিযোগ বিবেচনাধীন হৈ আছে। নিৰ্বাচনী ব্যয় নিৰীক্ষণ প্ৰক্ৰিয়াৰ অংশ হিচাপে পৰহি ৯ বজালৈকে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ১৭৫কোটিতকৈ অধিক টকা মূল্যৰ সা-সামগ্ৰী তথা নগদ ধন জব্দ কৰা হৈছে। ৰাজ্যত বৰ্তমানলৈকে ১০৫ কোটি ৫০ লাখ টকা মূল্যৰ মাদক দ্ৰব্য আৰু ২৮ কোটি ১০ লাখ টকাৰ মূল্যবান ধাতু জব্দ কৰা হৈছে বুলি কাৰ্যালয়ৰ তথ্যত প্ৰকাশ পাইছে।

০০০০০

উচ্চতম ন্যায়ালয়ে ভিভি পেট শ্লিপৰ সৈতে ই ভি এমৰ জৰিয়তে হোৱা ভোটদানৰ ১০০ শতাংশ ভোটৰ সত্যাসত্য নিৰূপণৰ বাবে অনুৰোধ জনাই দাখিল কৰা কেইবাখনো আবেদন শুকুৰবাৰে অগ্ৰাহ্য কৰে। উল্লেখযোগ্য যে ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ দীপাংকৰ দত্তাক লৈ গঠিত এখন বিচাৰপীঠে যোৱা ১৮ এপ্ৰিলত দুদিনজোৰা ব্যাপক শুনানিৰ অন্তত গণতান্ত্ৰিক সংস্কাৰ সংস্থাকে ধৰি বিভিন্ন পক্ষই দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত ৰায় সুৰক্ষিত ৰাখিছিল।

০০০০

অৰুণাচল প্ৰদেশত চাকমা-হাজংসকলক সংস্থাপন নিদি অসমত সংস্থাপন দিয়াৰ পোষকতা কৰা বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিটোৰ সত্যতা কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে অস্বীকাৰ কৰিছে। যোৱা বৃহস্পতিবাৰে নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী ৰিজিজুৱে কৈছে যে অসমত চাকমা-হাজংসকলক সংস্থাপন দিবৰ বাবে তেওঁ কেতিয়াও কোৱা নাই। তেওঁ কয় যে নাগৰিকত্ব সংশোধনী আইন অনুসৰি

অৰুণাচলত চাকমা-হাজংসকল স্থায়ী নাগৰিক হ'ব নোৱাৰে আৰু সেইবাবে চাকমা-হাজংসকলৰ সংস্থাপনৰ বিষয়টো সমাধান কৰিবলৈ শ্ৰী ৰিজিজুৱে নেদাৰ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাত মিলিত হৈছিল। অসমত চাকমা-হাজংসকলক সংস্থাপন দিবলৈ কোৱা হোৱা নাই বুলি কিৰেণ ৰিজিজুৱে স্পষ্টভাৱে জানিবলৈ দিয়ে। আনহাতে, মুখ্যমন্ত্ৰী ডং শৰ্মাই চাকমা-হাজংসকলক অসমত সংস্থাপন দিয়া বিষয়টো ইতিপূৰ্বে অস্বীকাৰ কৰিছে। ইফালে, কংগ্ৰেছ দলৰ নেতা, সাংসদ তথা যোৰহাট সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে সাংবাদিকৰ আগত এই বিষয়টো উল্লেখ কৰি চাকমা-হাজংসকলৰ অসমত সংস্থাপনৰ বিষয়টো সন্দৰ্ভত কিৰেণ ৰিজিজু আৰু মুখ্যমন্ত্ৰীক একেলগে সংবাদমেল সম্বোধন কৰি স্পষ্ট কৰি দিবলৈ আহ্বান জনায়।

০০০০০০০

অসম লোকসেৱা আয়োগৰ পৰীক্ষা কেলেংকাৰীৰ গোচৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে যোৱা ২৩ এপ্ৰিলত গুৱাহাটী উচ্চ ন্যায়ালয়ক বন্ধ খামৰ ভিতৰত তদন্তৰ অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰে। তদন্তকাৰী সংস্থাটোৰ হৈ ৰাজ্য চৰকাৰৰ অধিবক্তাই এই প্ৰতিবেদন দাখিল কৰে। উল্লেখযোগ্য যে আয়োগৰ পৰীক্ষাত অনিয়মেৰে উত্তীৰ্ণ হৈ একাংশ  বিষয়াই চাকৰি লাভ কৰা বিষয় সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে তদন্ত চলাই আহিছে। বিষয়টো সন্দৰ্ভত তদন্ত চলাই গোটটোৱে কেইবাগৰাকীও লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে আন বহুতকে জেৰা কৰিছিল। ইয়াৰ পাছতে গোটে উচ্চ ন্যায়ালয়ত তদন্তৰ অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা ২২ এপ্ৰিলত দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান কৰে। শ্ৰীমতী মুৰ্মুৱে প্ৰাক্তন উপ ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু আৰু ভাৰত নাট্যমৰ বিশিষ্ট শিল্পী ডং পদ্মা সুব্ৰমণ্যমক পদ্ম বিভূষণ সন্মান প্ৰদান কৰে। আনহাতে বিন্দেশ্বৰ পাঠকক মৰণোত্তৰভাৱে পদ্ম বিভূষণ বঁটা প্ৰদান কৰা হয়। অভিনেতা মিথুন চক্ৰৱৰ্তী আৰু সংগীত শিল্পী উষা উত্থুপে সন্মানীয় পদ্ম ভূষণ বঁটা গ্ৰহণ কৰে।

পদ্ম ভূষণ বঁটাপ্ৰাপক আন আন ব্যক্তিসকল হ'ল- সমাজসেৱক ডং সীতাৰাম জিন্দাল, হৃদৰোগ বিশেষজ্ঞ ডাঃ তেজছ মধুসূদন পেটেল আৰু উত্তৰ প্ৰদেশৰ প্ৰাক্তন ৰাজ্যপাল ৰাম নাইক। অসমৰ পৰা হস্তী বিশেষজ্ঞ পাৰ্বতী বৰুৱা, চিৰাঙৰ প্ৰগতিশীল কৃষক সৰ্বেশ্বৰ বসুমতাৰী আৰু দৰঙৰ সুকন্নানী শিল্পী দ্ৰোন ভূঞাক এই সন্মানেৰে সন্মানিত কৰা হয়।

০০০০০০

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহত চমু অৱলোকন।

০০০০০

সমাপ্ত